AGCL CSR

# প্ৰয়াস
# Prayas

Volume - I
January 2018



A touch of care

ASSAM GAS COMPANY LTD
(A GOVT. OF ASSAM UNDERTAKING)
An ISO 9001 Company

CIN - U11101AS1962SGC001184

অসম গেচ কোম্পানীৰ সামাজিক দায়বদ্ধতা আঁচনি সমিতিৰ দ্বাৰা প্ৰকাশিত প্ৰচাৰ পুস্তিকা

প্ৰয়াস
Prayas

# শুভেচ্ছাবাণী

অসম গেছ কোম্পানীয়ে অতীজৰে পৰা বিভিন্ন ধৰণৰ উন্নয়ণমূলক সামাজিক সেৱা জনসমাজলৈ আগবঢ়াই আহিছে। অসম গেছ কোম্পানীয়ে ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ সামাজিক তথা অৰ্থনৈতিক উত্তৰণৰ বাবে সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত যোৱা কেইবছৰত কেইবাটাও ব্যতিক্ৰমী প্ৰকল্প হাতত লৈছে। অন্যান্য সংস্থাসমূহৰ গতানুগতিক প্ৰকল্পসমূহৰ বিপৰীতে উদ্যোগটোৱে সমাজ ব্যৱস্থাৰ উপেক্ষিত দিশসমূহ বাচি উলিয়াই সেই দিশসমূহৰ উন্নয়নৰ বাবে সুচিন্তিত আৰু সুপৰিকল্পিত আঁচনি নিৰ্ধাৰণ কৰি এই দিশত কাম হাতত লৈছে। এই আঁচনিসমূহে সমাজত এক যোগাত্মক প্ৰভাৱ পেলাইছে আৰু যথেষ্টসংখ্যক ব্যক্তি তথা প্ৰতিষ্ঠান আদিক উপকৃত কৰিছে। এই সমাজ কল্যাণমূলক আঁচনিসমূহ ৰূপায়নৰ বাবে সামাজিক দায়বদ্ধতা আঁচনি সমিতিৰ প্ৰতিজন কৰ্মকৰ্তাই আন্তৰিকতাৰে কাম কৰি আহিছে, যাৰবাবে প্ৰতিটো প্ৰকল্পৰ কাম সঠিকভাৱে আৰু নিৰ্ধাৰিত সময়মতে সম্পূৰ্ণহৈ উঠিছে। এই সুযোগতে মই তেওঁলোকলৈও আন্তৰিক ধন্যবাদ জনালো।

সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত ৰূপায়িত প্ৰকল্পসমূহৰ ওপৰত এখন প্ৰচাৰ পুস্তিকা 'প্ৰয়াস' প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি যথেষ্ট আনন্দিত হৈছো। আশা কৰিছো তেওঁলোকৰ এই প্ৰয়াসে সফল ৰূপ লওঁক আৰু প্ৰয়াসৰ জৰিয়তে প্ৰতিটো প্ৰকল্পৰ এখন জীৱন্ত প্ৰতিচ্ছবি সকলোৰে সন্মুখত উন্মোচিত হওঁক। শেষত অসম গেছ কোম্পানীৰ উদ্যোগিক উন্নয়নৰ লগতে সামাজিক উন্নয়নমূলক আঁচনিসমূহ অব্যাহত থাকক তাৰেই কামনা কৰিলো।

**সূৰ্য তামুলী**
ন'ডেল অফিচাৰ
অসম গেছ কোম্পানী সামাজিক দায়বদ্ধতা সমিতি

CSR
Corporate Social Responsibility
A touch of care

প্রয়াস Prayas

# Message

CSR was and still is at the heart of Assam Gas Company Ltd. With Section 135 of Companies Act, 2013 coming into force, CSR activities has become more prominent and structured which no doubt has benefited both the provider and the recipient. Ever since 2015, when the in house CSR Team was constituted, we have embedded our CSR values in everything we do. As a clean energy provider, we see CSR as the driver of a sustainable and mutually beneficial engagement with the community on matters of environment, education, health and livelihood.

The success of our first project "Shyamalima" – a waste to organic manure program with the by-line "Wasting your waste is such a waste!" enthused the CSR Team to chalk out ambitious projects that creates a positive impact on a large population. The company partnered the oldest medical institution of the region, Assam Medical College & Hospital, Dibrugarh to construct toilet blocks and also provide maintenance services 24X7, benefiting the hundreds of patients and their attendants who use the facilities everyday.

In partnership with another great institution, Don Bosco Institute, the company launched "Pratyasha" – a highly successful program that taps the unbounded energy and potential of our local youths enabling them to lead respectable, sustainable and enriching lives.

As a responsible corporate citizen, we strive to do our bit to protect the planet for the future and support the community in which we operate. We are immensely proud of the positive impact our initiatives have on the people we serve. By building on our successes and creating collaborations with partner organizations and communities, we aim for the biggest possible positive impact on society. This is quite simply the right thing to do – an Investment for Inclusive Growth.

**Kunal Mazumder**
President, CSR Tier-II Committee

CSR
Corporate Social Responsibility
A touch of care



# Scribbling from the Secretary

**Ours is an attempt to do good however small it may be.**

**Ours is an effort to be socially responsible in whatever way may be.**

**Only time will tell whether we have been successful or not.**

The Companies Act, 2013 with its mandatory provisions on the applicability of Corporate Social Responsibility (CSR) on certain class of companies, became the starting point for Assam Gas Company Limited to begin its focused journey on the arena of CSR from the year 2015-16 although the Company has been voluntarily fulfilling its undefined corporate social responsibilities in its operational area for the past several years.

The CSR Team of AGCL is passionate about its responsibility. Still in its infancy, the Team CSR has tried its best to formulate the CSR Policy of the Company to render some impact on its operational area. The policy primarily focuses on Health care & Sanitation, Environmental Sustainability , Promoting Education, Employment enhancing vocational skills, Livelihood enhancement projects , measures for reducing inequalities faced by socially and economically backward groups and so on. Projects under CSR scheme has been identified for the financial years 2015-16, 2016-17 and 2017-18 and most of the projects are functioning at this moment. Till date we have "**Project Shyamalima**" – the flagship project of AGCL as a pioneer in Waste Management System in Upper Assam, "**Project Pratyasha**" – Skill development and placement of underprivileged youths, "**Project Parijaat Kanan**" – development and beautification of crematoriums, "**Project Parimal Basudha**" – Bio-medical waste processing machine and construction of four toilet blocks at AMCH, Dibrugarh, "**Project Rupkathar Gaon**" – integrated village development, "**Project Ashadeep**" – solar lamp assembling, distribution and maintenance , "**Project Aparajeya**" – financial aid to underprivileged child cancer patients treated at Dr B Barooah Cancer Institute to name a few. Upheavals are bound to be there but we firmly believe that with persistent efforts, cooperation and goodwill we will definitely emerge as a leading corporate citizen.

This bulletin has come up as an endeavor to spread the workings in the past two financial years amongst the employees of AGCL as well as the conscious citizens of the state. The maiden effort may have many flaws which we wish to rectify in later editions. Support from all quarters in the form of suggestions, critical assessments and innovative ideas are always welcome.

Last but not the least, this step marks the beginning of a long journey. May we move forward for the welfare of millions ! *"Bahujana Hitaya!"*

**Mayurima G Baruah**
Manager(Systems) &
Secretary, CSR Committee

প্ৰয়াস
Prayas

# Assam Gas Company Ltd




Assam Gas Company Ltd, the leading Government of Assam Undertaking is the country's first dedicated Natural Gas transmission and distribution company with its operation in the North Eastern corner of Assam. It has a network of underground natural gas transmission and distribution pipeline that serves tea estates, commercial and domestic consumers apart from several big industrial consumers.



At Assam Gas Company CSR is not an activity thrust upon it, but a passion to be pursued relentlessly to bring the smile on the face of a beneficiary. CSR is an opportunity to generate honest, authentic good-news stories with the aim to deliver benefits to maximum numbers of the targeted group. Successful CSR initiatives take Assam Gas Company beyond compliance and leads to honour ethical values and respect people, communities and the natural environment.



CSR
Corporate Social Responsibility
A touch of care

প্ৰয়াস
Prayas

# Project Shyamalima





## *'A breath of fresh air.'*

A waste management system where biodegradable waste is converted to organic manure. With a vision for a cleaner and greener world, AGCL has set up a plant at Duliajan with organic waste converter (OWC) machine. The OWC machine is capable of producing 400 kgs organic manure ready for garden use per day. The aim of the project Shyamalima is not only to produce organic manure but to leave a waste free world for our future generation to breath in, live in.








প্ৰকল্প

# পাৰিজাত কানন






## *"মৃত্যুওটো এটা শিল্প, জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য -হীৰুদা"*

শ্মশানৰ উন্নয়ন আৰু সৌন্দৰ্য্যবৰ্দ্ধনৰ উদ্দেশ্যে এই প্ৰকল্প হাতত লোৱা হৈছে। অসম গেচ কোম্পানীয়ে ইতিমধ্যে বিভিন্ন শ্মশানলৈ বিনামূলীয়ালৈ প্ৰাকৃতিক গেচৰ যোগান ধৰি আহিছে। ইয়াৰোপৰি ৩.১৬ লাখ টকাৰে লিডু ৰাজহুৱা শ্মশানৰ চাৰিসীমাৰ দেৱাল নিৰ্মাণ কৰাৰ লগতে মৃতদেহসমূহ সৎকাৰৰ পূৰ্বে ৰাখিবৰ বাবে টিনৰ চালিসহিতে পকী স্থলী নিৰ্মাণ কৰা হৈছে। একেদৰে ডিব্ৰুগড়ৰ চৌকিদিঙ্গী শ্মশানৰ পতিত ভূমিৰ চাৰিসীমাৰ পকীদেৱাল আৰু এখন শিশু উদ্যান নিৰ্মাণ কৰা হৈছে। এই নিৰ্মাণ কাৰ্য্যৰ সৰ্বমুঠ ব্যয় হৈছে ১২.৯২ লাখ টকা। মৃতকক পৃথিৱীৰ পৰা এটা সুন্দৰ পৰিৱেশৰ মাজেৰে বিদায় দিয়াৰ লগতে শোকাৰ্ত আত্মীয়-স্বজনৰ মনৰ প্ৰশান্তিৰ উদ্দেশ্যে শ্মশানৰ সৌন্দৰ্য্যবৰ্দ্ধনৰ এই প্ৰকল্প হাতত লোৱা হৈছে।

CSR
Corporate Social Responsibility
A touch of care

প্রয়াস
Prayas

**Project**
# Pratyasha





## *‘Empowering the underprivileged youth.’*



A project that goes beyond just skill development for underprivileged youth. Assam Gas Company started project Pratyasha with Don Bosco Institute, Guwahati as its implementation partner to impart skill development in various trades such as Aviation, Hospitality & Housekeeping, ISMO, Beauty & Spa, AC & Refrigeration, Welding etc. It includes social awareness programme, capacity building, career guidance, personality development, leadership training etc. Total 221 trainees were trained in various trades in the year 2016-17 and out of them 171 were placed directly in various reputed organizations whereas the rest are self employed.  Candidates from our operational area is placed in reputed groups such as Taj Hotel, Mumbai, Go Air Airlines etc. The success of this project has led AGCL to extend it for one more year as Pratyasha-II.

## Rising Stars


Priyanka


Mousumi


Sonu


Ujashree
Madhushree


Ratneswar


Hemanta


Chinmoy


Hirak Jyoti


Junali
Menoka


Ranjan Jyoti


Gayatry


Puspa


Archana


Dipu


Pinku


Rajashri

প্ৰকল্প

# ৰূপকথাৰ গাঁও





## ‘সপোনৰ এখন আদৰ্শ গাঁও’

সামাজিক আৰু অৰ্থনৈতিকভাৱে অনগ্ৰসৰ এখন জনজাতীয় বসতিপ্ৰধান গাঁৱক আদৰ্শ গাঁওৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে এই প্ৰকল্প হাতত লোৱা হৈছে। দুলীয়াজানৰ সমীপৱৰ্তী ১নং চপাতলী গাঁওখনত ইতিমধ্যে এই প্ৰকল্পৰ অধীনত গাঁওবাসীৰ জীৱনধাৰণৰ মানদণ্ড উন্নীতকৰণৰ অৰ্থে পদক্ষেপ লোৱা হৈছে। গাঁওখনৰ আৰ্থ-সামাজিক উন্নয়নৰ লগতে জীৱন ধাৰণৰ মৌলিক উপাদানসমূহ সুনিশ্চিত কৰা, সম্পূৰ্ণ অনাময়ৰ জৰিয়তে স্বাস্থ্যকৰ পৰিৱেশ গঢ়ি তোলা, বিশুদ্ধ খোৱাপানী যোগান ধৰা, বিদ্যালয়সমূহৰ আন্তগাঁঠনি উন্নয়নৰ লগতে শৈক্ষিক পৰিৱেশ গঢ়ি তোলাই এই প্ৰকল্পৰ উদ্দেশ্য। প্ৰয়োজনীয় আন্তঃগাঁঠনি গঢ়ি তোলাৰ উপৰিও বিভিন্ন ধৰণৰ প্ৰশিক্ষণৰ জৰিয়তে জীৱিকা নিৰ্বাহৰ সুযোগ সৃষ্টি কৰি অৰ্থনৈতিকভাৱে স্ব-নিৰ্ভৰশীল এখন গাঁও গঢ়ি তোলাই ‘ৰূপকথাৰ গাঁও’ প্ৰকল্পৰ মূল উদ্দেশ্য।







Project

# Parimal Basudha












## ‘One small step to remove insanitation.’

Assam Gas Company Limited under project 'Parimal Basudha' constructed 4(four) Toilet Blocks each consisting of 6 Nos. of toilets and 6 Nos. of bathrooms, cloth & utensils washing area, urinals etc. in the OPD, Paediatrics, Gynaecology and Cardiology wards of Assam Medical College & Hospital, Dibrugarh. The cost of the project is 50.08 Lakhs. The Toilet blocks were inaugurated on 17th October, 2017 by Hon’ble Deputy Commissioner Smt. Laya Madduri, of Dibrugarh District.

For proper upkeep and maintenance of the Toilet Blocks, AGCL has outsourced it for mechanized cleaning through a third party.

Besides, one waste to organic converter machine Bioneer 100 along with a shed has been provided to AMCH at their Bio-medical Waste Processing Unit.

প্ৰকল্প

# আশাদীপ







## *‘নিৰাশাৰ মাজত আশাৰ এগচি প্ৰদীপ’*

অৰ্থনৈতিকভাৱে অনগ্ৰসৰ ভিতৰুৱা গ্ৰাম্য অঞ্চলৰ ৰাইজৰ মাজত বিনামূলীয়া সৌৰচাকি বিতৰণৰ এক প্ৰকল্প হৈছে এই ‘আশাদীপ’। বৈদ্যুতিক সংযোগ নথকা গাঁৱৰ ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ আৰু গাঁওবাসীৰ ঘৰসমূহ আলোকিত কৰিবলৈ এই প্ৰকল্প ৰূপায়ণ কৰা হৈছে। বৈদ্যুতিক সংযোগ অবিহনে সূৰ্য্যপোহৰ চালিত এই সৌৰচাকিয়ে কিঞ্চিত হ'লেও পোহৰ বিলাবলৈ সক্ষম হ'ব বুলি আশা কৰিব পাৰি। ইতিমধ্যে এই প্ৰকল্পৰ অধীনত টেঙাখাটৰ ভিতৰুৱা ওদালগুৰি নতুন গাঁৱৰ বাসিন্দাসকলৰ লগতে ওদালগুৰি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিনামূলীয়া সৌৰচাকি বিতৰণ কৰা হৈছে।

## আশাদীপ



আন্ধাৰৰ পৰা পোহৰলৈ  
নিৰাশাৰ পৰা আশালৈ  
সপোনবোৰক বাট দেখুৱাবলৈ।  
আন্ধাৰত মৰহিব খোজা  
সপোনটো আকৌ জীপাল হ'ব,  
সাৰ পাই উঠিব সুপ্ত প্ৰতিভাবোৰ।  
গাঁৱে গাঁৱে জ্বলি উঠিব  
আশাৰ এগচি প্ৰদীপ,  
নাম যাৰ আশাদীপ।  
হতাশাক বিনাশি  
পোহৰৰ কিঞ্চিত ৰেঙণি,  
আজি দুখীয়াৰ ঘৰে ঘৰে  
আনন্দৰ নিৰ্মল হাঁহি;  
সপোনবোৰক পোহৰাবলৈ  
আহি আছে আশাদীপ।

-গৌৰব

Project

# Deepsikha





## *‘The sole meaning of life is to serve humanity.’*

A project by the name of 'Comprehensive care and Rehabilitation Centre' at Titabor for cancer survivors and their family members with an objective to provide financial,emotional and social support in their traumatic journey of life. The project is to bring them back to mainstream society by making them self reliant with livelihood opportunities such as weaving, crafting etc. Construction work at Titabor is in progress on the heritage property donated by the family of Bagh Hazarika, the commander-in-chief of the battle of Saraighat fame. AGCL has provided support of Rs.34 Lakhs to deepsikha Foundation to renovate the property for this noble cause without losing its historical relevance.



# অপৰাজেয়






## “জীৱন যুদ্ধত হাৰ নমনা সাহসী যোদ্ধা, তুমি অপৰাজেয়”

অসম গেচ কোম্পানীৰ এক জনকল্যাণমূলক পদক্ষেপ হ'ল প্ৰকল্প ‘অপৰাজেয়’। অপৰাজেয় প্ৰকল্পৰ অধীনত বি. বৰুৱা কেঞ্চাৰ ইন্সটিটিউটত চিকিৎসাধীন অসমৰ শিশু কৰ্কট ৰোগীসকলক আগবঢ়োৱা হ'ব বিনামূলীয়া চিকিৎসাসেৱা। আৰ্থিকভাৱে অসমৰ্থ পৰিয়ালৰ শিশু কেঞ্চাৰ ৰোগীসকললৈ আৰ্থিক সকাহ আগবঢ়োৱাৰ উদ্দেশ্যে এই প্ৰকল্প হাতত লোৱা হৈছে। কৰ্কটৰোগৰ দৰে জটিল ৰোগত আক্ৰান্ত নিষ্পাপ শিশুসকলক জীৱন যুদ্ধত অলপ সাহস দিবলৈ আৰু কোনো শিশুৱে যাতে আৰ্থিক দীনতাৰ বাবে চিকিৎসাৰ অভাৱত মৃত্যুবৰণ কৰিব লগা নহয় তাৰ বাবেই প্ৰকল্প অপৰাজেয়ৰ এই প্ৰচেষ্টা। ১ ডিচেম্বৰ ২০১৭ৰ পৰা কাৰ্যকৰী হোৱা এই প্ৰকল্পৰ অধীনত ইতিমধ্যে বি. বৰুৱা কেঞ্চাৰ ইন্সটিটিউটত চিকিৎসাধীন সকলো শিশুলৈ বিনামূলীয়া চিকিৎসাসেৱা আগবঢ়োৱা হৈছে।



# Other Activities








Apart from the long term projects, Assam Gas Company has also contributed to social welfare of the community in its operational areas in the form of free health camps, Cancer awareness & screening camps, training on self defence for woman, infrastructure for educational institutions and so on. CSR at Assam Gas Company is not an obligation, it's a passion.



# অসম গেছ কোম্পানীৰ সামাজিক দায়বদ্ধতা আঁচনিৰ বিভিন্ন প্ৰকল্পৰ ওপৰত প্ৰকাশিত বাতৰিৰ কিয়দংশ

## এ এম চিত অসম গেছ কোম্পানীৰ টয়লেট উদ্বোধন




## Children cancer care pact inked

## AGCL-Rotary project for garbage disposal

ANN SERVICE

DULIAJAN, Sept 9: The Assam Gas Company Limited (AGCL), under its CSR activity, has taken an initiative – jointly with the Rotary Club of Duliajan – for the disposal of biodegradable garbage and its conversion into organic manure under 'Project Shyamalima' in the oil township of Duliajan. District Governor of Rotary International District 3240, Rintu Guha Niyogi, during his visit to the Rotary Club of Duliajan, inaugurated the ambitious garbage disposal project at the ... campus on Thursday. ... programme ... by Kunal Mazumdar ... (O&M), AGCL, ... DGM (Tech), ... Chetia Phukan ... Manager (HR&A), ... Garima Baruah ... committee secretary ... Jasmeet Swargiari ... president and secretary of the Rotary Club of Duliajan, and other members and representatives of the AGCL employees union and others.

An MoU was signed between the AGCL and the Rotary Club of Duliajan in the presence of the Rotary International District Governor. As per the MoU, AGCL has made capital investment in the project and the Rotary Club of Duliajan will operate the project by collecting biodegradable garbage from the oil township and converting it into organic manure for sale in the open market.

The installed machine of the garbage disposal project has the capacity to produce ... of organic manure per day from biodegradable garbage.

Rotary DG Niyogi inaugurated another initiative of the Rotary Club of Duliajan, a garden called 'Project Ka... room,' at the Sasoni-Me... Eco Tourism Centre under Naharkatia subdivision.

## গেছ কোম্পানীৰ ৩৪ লাখ টকাৰ আঁচনি গ্ৰহণ

## দীপশিখাৰ উদ্যোগত দুলীয়াজানত কৰ্কট ৰোগ প্ৰতিৰোধ সজাগতা শিবিৰ

## আৰ্থিকভাৱে দুৰ্বল শিশু কেন্সাৰ ৰোগীক সহায় কৰা পৰিকল্পনা

## অসম গেছ কোম্পানীৰ সৌৰ চাকি বিতৰণ

দুলীয়াজান ঃ নিজা প্ৰতিনিধি, ১৮ ছেপ্তেম্বৰ ঃ অসম চৰকাৰৰ লাভজনক উদ্যোগ প্ৰতিষ্ঠান অসম গেছ কোম্পানী লিমিটেডে সামাজিক দায়বদ্ধ আঁচনিৰ অধীনত আশাদীপ প্ৰকল্পৰ অধিনতে যোৱা ১৫ ছেপ্তেম্বৰৰ দিনা চাবুৱাত গএগ বাইজৰ মাজত সৌৰ চাকি বিতৰণ কৰে। চাবুৱাৰ উদ্ভূত নতুন গাঁৱৰ বস্তিৰ আৰু উষালুগুৰি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই কিনামুলীয়া সৌৰ চাকিসমূহ বিতৰণ কৰা হয়। সৌৰ চাকি বিতৰণৰ অনুষ্ঠানটোত অসম গেছ কোম্পানী লিমিটেডৰ উপ-মহাপ্ৰবন্ধক কুনাল মজুমদাৰ, মানৱ সম্পদ আৰু প্ৰশাসন বিভাগৰ মুখ্য প্ৰবন্ধক দীপক চেতিয়া ফুকন, তথ্য প্ৰযুক্তি বিভাগৰ জ্যেষ্ঠ প্ৰবন্ধক তথা সামাজিক দায়বদ্ধতা সমিতিৰ সম্পাদিকা মধুৰিমা গোস্বামী বৰুৱা, মানৱ সম্পদ আৰু প্ৰশাসন বিভাগৰ উপ-প্ৰবন্ধক দীমান্ত বৰ্মনকে ধৰি প্ৰতিষ্ঠানটোৰ কেইবাজনো শীৰ্ষ বিষয়া, গাঁৱৰ গাঁওবুঢ়া আৰু গাঁৱৰ ৰাইজ উপস্থিত থাকে।

## স্যামলীমা আৰু কল্পদ্ৰুম আঁচনিৰ শুভ উদ্বোধন



## গেছ কোম্পানীৰ চিকিৎসা মহাবিদ্যালয়ত 'পৰিমল বসুধা' প্ৰকল্পৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

দুলীয়াজান, ১৯ অক্টোবৰ ঃ অসম গেছ কোম্পানী লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত আজি অসম চিকিৎসা মহাবিদ্যালয়ত প্ৰকল্প 'পৰিমল বসুধা'ৰ উদ্বোধন কৰে ডিব্ৰুগড় জিলা উপায়ুক্ত লয়া মাদুৰীয়ে। উল্লেখ্য যে স্বচ্ছ ভাৰত অভিযানৰ প্ৰতি লক্ষ্যৰে কোম্পানীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ বহিঃৰোগ বিভাগ, কাৰ্ডিয়েক ইণ্ডোৰ, পেডিয়াট্ৰিক ইণ্ডোৰ আৰু গাইনি কলজীত এটাকৈ চাৰিটা ব্লক শৌচাগাৰ নিৰ্মাণ কৰিব। প্ৰত্যেকটো ব্লকত ছটাকৈ শৌচালয়, ছটা স্নানাগাৰ থকাৰ লগতে বাচন-বৰ্তন চাফাই আৰু কাপোৰ ধুবলৈ মুকলিকৈ ঠাই ৰখা হৈছে। আজি এই প্ৰকল্পটোৰ উদ্বোধন উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। সভাপতিত্ব কৰে চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ হিৰণ্য গোস্বামীয়ে। সভাত জিলা উন্নয়ন আয়ুক্ত যাদব শইকীয়া, হৃদৰোগ বিভাগৰ মুৰব্বী ডাঃ হেমচন্দ্ৰ কলিতা, অসম গেছ কোম্পনী লিমিটেডৰ পৰিচালন সঞ্চালক আদিত্য কুমাৰ শৰ্মা উপস্থিত থাকে। সভাৰ আদৰণি ভাষণ ...

## আৰ্থিকভাৱে দুৰ্বল কেন্সাৰ আক্ৰান্ত শিশুক সহায় কৰিব অসম গেছ কোম্পানীয়ে

## Toilets built

DIBRUGARH: Altogether four blocks of toilets worth Rs 50 lakh, constructed by Assam Gas Company Ltd under their ...

ASSAM GAS COMPANY LTD
(A GOVT. OF ASSAM UNDERTAKING)
An ISO 9001 Company
CIN - U11101AS1962SGC001184

Duliajan, Dist.: Dibrugarh, Assam, PIN - 786602
Tel: (0374) 2800221, 2800556, 2800582, Fax: (0374) 2800557, 2800221
e-mail: **info@assamgas.org**; Website: **www.assamgas.org**

Exclusive/AGCL/2018